

## হাজো সুৰেন দাস মহাবিদ্যালয়

# ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস

**প্ৰতিদিন সেৱা, হাজো, ২ মাৰ্চ ঃ** হাজো সুৰেন দাস মহাবিদ্যালয়ত সাতাইশ ফেব্ৰুৱাৰীত ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস পালন কৰা হয়। তদুপলক্ষে দিনৰ বাৰ বজাত মহাবিদ্যালয়খনৰ মাধৱদেৱ ৰংগমঞ্চ প্ৰেক্ষাগৃহত এখন আলোচনাচক্ৰ অনুষ্ঠিত হয়। গুৱাহাটী আই আই টিৰ অৱসৰপ্ৰাপ্ত পঞ্জীয়ন উত্তম চন্দ্ৰ দাসৰ সঞ্চালনাত অনুষ্ঠিত আলোচনাচক্ৰত আলোচক হিচাপে উপস্থিত থাকে গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য প্ৰফেছৰ প্ৰতাপজ্যোতি সন্দিকৈয়ে জীৱ প্ৰযুক্তি বিজ্ঞানৰ ওপৰত মন্তব্য কৰি কয় বায়'টেকন'ল'জিত এটা জীৱ অথবা এটি জীন মেচিনৰ দৰে ব্যৱহাৰ হয়। যিটো জীন আমি চকুৰে মণিব নোৱাৰো। এই ক্ষুদ্ৰ জীনক আমি স্থানান্তৰ কৰিব পাৰো, ইয়াক আমি ইঞ্জিনীয়াৰিং পদ্ধতিৰে কাটিবও পাৰো বুলি উল্লেখ কৰে। সঞ্চালক উত্তম চন্দ্ৰ দাসে বৰ্তমান বিজ্ঞান-প্ৰযুক্তি শিক্ষাইহে ছাত্ৰ-ছাত্ৰীক আগবঢ়াই নিয়াত মুখ্য ভূমিকা ল'ব পাৰে বুলি উল্লেখ কৰে। অনুষ্ঠানত হাজো সুৰেন দাস মহাবিদ্যালয়ৰ অধ্যক্ষ ড° হিৰণ্য কুমাৰ শৰ্মা, দমদমা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুৰঞ্জন শৰ্মা, নগাঁও বি বি কে কলেজৰ অধ্যক্ষ ড° প্ৰদীপ দাসে অংশগ্ৰহণ কৰে। এই অনুষ্ঠানতে অনলাইনযোগে অনুষ্ঠিত ৰচনা আৰু কুইজ প্ৰতিযোগিতাৰ বিজয়ীসকলৰ মাজত বঁটাসমূহ প্ৰদান কৰা হয়।

# আজিৰে পৰা কুমাৰপাৰাত মহানাম যজ্ঞ

**প্ৰতিদিন সেৱা, বৰমা, ২ মাৰ্চ ঃ** বাক্সা জিলাৰ বৰমাৰ নিকটৱৰ্তী মূৰমেলা কুমাৰপাৰা কালী মন্দিৰ প্ৰাংগণত কাইলৈৰ পৰা ৭ মাৰ্চলৈ বিশ্ব শান্তিৰ বাবে শ্ৰীশ্ৰীঅখণ্ড তাৰক ব্ৰহ্ম শ্ৰীশ্ৰীহৰি নামযজ্ঞৰ ধৰ্ম অনুষ্ঠান অনুষ্ঠিত হ'ব। কাইলৈ পুৱা সমূহীয়া চাফাই, দিনৰ দুই বজাত প্ৰসিদ্ধ গংগাজল আনয়ন আৰু শোভাযাত্ৰা,